# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, কলকাতাৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাই সমগ্ৰ ৰাষ্ট্ৰকে জোকাৰি গৈছে আৰু সকলো লোকে আৰু সহ্য কৰা নহ'ব বুলি একেলগে কোৱাৰ সময় আহি পৰিছে।

২। ৰাষ্ট্ৰপতিয়ে শেহতীয়াকৈ মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ বৰ্ধিত ঘটনাই আমাক এই সমস্যাৰ মূল কাৰণৰ সম্ভেদ উলিওৱাৰ বাবে আত্ম-বিশ্লেষণৰ প্ৰয়োজনৰ কথা সোঁৱৰাই দিছে বুলি প্ৰকাশ কৰিছে।

৩। ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চম্পাই চোৰেনে হেমন্ত চোৰেন মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিছে।

৪। বাংলাদেশৰ ক্ষমতাচ্যুত শ্বেইখ হাছিনাৰ বিৰুদ্ধে আৰু চাৰিটা গোচৰ ৰুজু কৰা হৈছে।

*আৰু*

৫। চলিত বৰ্ষৰ পেৰালিম্পিক প্ৰতিযোগিতা পেৰিছত আৰম্ভ হৈছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, কলকাতাৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাই সমগ্ৰ ৰাষ্ট্ৰকে জোকাৰি গৈছে আৰু সকলো লোকে আৰু সহ্য কৰা নহ'ব বুলি একেলগে কোৱাৰ সময় আহি পৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কালি সামাজিক মাধ্যমযোগে এটা বিবৃতি শ্বেয়াৰ কৰি এইদৰে প্ৰকাশ কৰিছে। তেওঁ কয় যে, শেহতীয়াকৈ মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ বৰ্ধিত ঘটনাই আমাক এই সমস্যাৰ মূল কাৰণৰ সম্ভেদ উলিওৱাৰ বাবে আত্ম-বিশ্লেষণৰ প্ৰয়োজনৰ কথা সোঁৱৰাই দিছে। শ্ৰীমতী মুৰ্মুৱে কয় যে, এই ঘটনাই তেওঁক নিৰাশ আৰু স্তব্ধ কৰি তুলিছে। তেওঁ কয় যে, এয়া এনেধৰণৰ একমাত্ৰ ঘটনা নহয়, মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ অংশহে। তেওঁ কয় যে, এই ঘটনাক লৈ কলকাতাত শিক্ষাৰ্থী, চিকিৎসক আৰু জনসাধাৰণে প্ৰতিবাদ সাব্যস্ত কৰি থকাৰ সময়ত অপৰাধীসকলে অন্য স্থানত নিৰ্ভয়ে ঘূৰি ফুৰিছে। আতিশয্যৰ বলি হোৱাসকলৰ ভিতৰত কিণ্ডাৰ গাৰ্তেনৰ কন্যা শিশুও আছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, কোনো সভ্য সমাজে ভগ্নী, কন্যাসকলক এনে আতিশয্যৰ বলি হোৱাটো সহ্য নকৰে। তেওঁ কয় যে, এনে ঘটনাক লৈ জনসাধাৰণৰ ক্ষোভ যুক্তিসংগত। সমাজ হিচাপে আমি নিজকে কেতবোৰ জটিল প্ৰশ্ন সোধাৰ সময় আহি পৰিছে বুলি শ্ৰীমুৰ্মুৱে উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, আমাৰ সংবিধানে এনে সময়ত মহিলাসহ সকলোকে সম অধিকাৰ প্ৰদান কৰিছিল যি সময়ত বিশ্বৰ বিভিন্ন অংশত মহিলাৰ সমঅধিকাৰৰ বিষয়টোক আদৰ্শ বুলি গণ্য কৰা হৈছিল। তেওঁ কয় যে, চৰকাৰে এই সমতা সুনিশ্চিত কৰাৰ বাবে প্ৰতিষ্ঠান স্থাপন কৰিব লাগিব আৰু বিভিন্ন অভিযান তথা কাৰ্যসূচী ৰূপায়ণ কৰিব

লাগিব। তেওঁ কয় যে, বিষয়টো লৈ নাগৰিক সমাজ আগবাঢ়ি আহিছে আৰু এই ক্ষেত্ৰত ৰাজ্যৰ প্ৰয়াসত হাত উজান দিছে। শ্ৰীমতী মুৰ্মুৱে কয় যে, সমাজৰ সকলো ক্ষেত্ৰৰ দূৰদৰ্শী নেতাসকলে লিংগ সমতাত গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ কয় যে, একাংশ অসাধাৰণ আৰু সাহসী মহিলাই তুলনামূলকভাৱে কম ভাগ্যশালী ভগ্নীৰ বাবে বাবে এই সামাজিক বিপ্লৱৰ লাভ গ্ৰহণ কৰাটো সম্ভৱ কৰি তুলিছে। সেয়া মহিলা সৱলীকৰণৰ গাঁথা স্বৰূপ বুলি ৰাষ্ট্ৰপতিয়ে মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, মহিলাসকলক সামগ্ৰী হিচাপে জ্ঞান কৰা একাংশ লোকৰ বাবে মহিলাৰ বিৰুদ্ধে অপৰাধ সংঘটিত হয়। এনে লোকৰ মনত এই ধৰণৰ মানসিকতা গভীৰভাৱে শিপাই আছে বুলি ৰাষ্ট্ৰীপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, এয়া সঁচাকৈ দুৰ্ভাগ্যৰ কথা যে, অকল ভাৰততে নহয় বৰং সমগ্ৰ বিশ্বত পৰিস্থিতি একেই। তেওঁ কয় যে, সকলো ঠাইতে মহিলাৰ বিৰুদ্ধে হোৱা অত্যাচাৰৰ স্বৰূপ একে ধৰণৰ, মাত্ৰ কৰবাত বৰ্বৰতা কম আৰু কৰবাত বেছি। এনে ধৰণৰ মানসিকতাৰ সন্মুখীন হোৱাটো ৰাষ্ট্ৰ আৰু সমাজ উভয়ৰে কাম বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, ভাৰতত বিগত কেইটামান বছৰত ৰাষ্ট্ৰ আৰু সমাজে এই ভুল আঁচৰণৰ সংস্কাৰৰ হকে কঠোৰ সংঘৰ্ষ কৰিছে। আইন আৰু সামাজিক অভিযানৰ ৰূপায়ণৰ পাছতো পথত কিছুমান বিঘিনি আছে আৰু দেশক ব্যাথিত কৰে।

দিল্লীৰ নিৰ্ভয়া কাণ্ডৰ কথা স্মৰণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ২০১২ চনৰ ডিচেম্বৰত এগৰাকী যুৱতীক দলবদ্ধ ধৰ্ষণ আৰু হত্যাৰ সময়ত দেশবাসী এনেধৰণৰ বৰ্বৰতাৰ সন্মুখীন হৈছিল। এই ঘটনাক লৈ সমগ্ৰ দেশ ব্যাথিত হৈছিল আৰু ক্ষোভৰ উদ্গীৰণ হৈছিল। জনসাধাৰণে আৰু এগৰাকী নিৰ্ভয়াৰ সৈতে একে ধৰণৰ ঘটনা সংঘটিত হ'ব দিয়া নহ'ব বুলি দৃঢ় সংকল্প গ্ৰহণ কৰিছিল। চৰকাৰেও পৰিকল্পনা আৰু ৰণনীতি প্ৰস্তুত কৰিছিল আৰু এই পদক্ষেপসমূহৰ ফলত কিছু পৰিৱৰ্তনো দেখিবলৈ পোৱা গৈছিল।  তেওঁ কয় যে, যেতিয়ালৈকে মহিলাসকলে বাস কৰা অথবা কৰ্মস্থানত নিৰাপদ অনুভৱ নকৰে তেতিয়ালৈকে এই কাম আধৰুৱা হৈ থাকিব। ৰাষ্ট্ৰীয় ৰাজধানীত সংঘটিত সেই শোকাৱহ ঘটনাৰ পাছৰ ১২ বছৰত একে ধৰণৰ অসংখ্য ঘটনা ঘটিছে যদিও একাংশ ঘটনাহে সমগ্ৰ দেশৰ দৃষ্টি আকৰ্ষণ কৰিছে। আনকি এই ঘটনাসমূহে শীঘ্ৰে পাহৰণি গৰ্ভত বিলীন হৈ গৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে দেশবাসীয়ে ঘটনাসমূহৰ পৰা কিবা শিকনি লৈছে নেকি বুলি প্ৰশ্নৰো অৱতাৰণা কৰে। তেওঁ কয় যে, সামাজিক প্ৰতিবাদ কম হোৱাৰ লগে লগে এই ঘটনাসমূহ সামাজিক স্মৃতিৰ অটল তলীত বিলীন হৈ যায় আৰু একে ধৰণৰ অন্য অপৰাধ সংঘটিত হ'লেহে ঘটনাসমূহৰ কথা স্মৰণ কৰা হয়। ৰাষ্ট্ৰপতি মুৰ্মুৱে পাহৰি যোৱাৰ এই সমূহীয়া ৰোগ বিকৃত মানসিকতাৰ সমানে অপ্ৰীয়। নিজ কন্যাসকলক ভয়ৰ পৰা মুক্ত কৰি তেওঁলোকৰ পথৰ বাধা দূৰ কৰাটো দেশৰ জনসাধাৰণৰ দায়িত্ব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মতপোষণ কৰে।

০০০০০

ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চম্পাই চোৰেনে হেমন্ত চোৰেন মন্ত্ৰীসভাৰ পৰা আৰু ঝাৰখণ্ড মুক্তি মৰ্চাৰ সকলো পদত্যাগ কৰিছে। ঝাৰখণ্ড মুক্তি মৰ্চাৰ সভাপতি শিবু চোৰেনলৈ লিখা এখন পত্ৰত প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, কৰ্মশৈলী আৰু নীতিয়ে তেওঁৰ দল ত্যাগ কৰিবলৈ বাধ্য কৰাইছে।

০০০০০

ভাৰতীয় আৰক্ষী বিষয়া ৰাজৱিন্দৰ সিং ভাটিক কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী চি আই এছ এফৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে উত্তৰ প্ৰদেশ কেডাৰৰ ১৯৯০ চনৰ ভাৰতীয় আৰক্ষী বিষয়া দলজিৎ

সিং চৌধুৰীক সীমান্ত সুৰক্ষা বাহিনী বি এছ্ এফৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছে। শ্ৰীচৌধুৰী বৰ্তমান সশস্ত্ৰ সীমা বল এছ্ এছ্ বিৰ সঞ্চালক প্ৰধান হিচাপে কৰ্মৰত।

০০০০০

বাংলাদেশৰ ক্ষমতাচ্যুত শ্বেইখ হাছিনা, তেওঁৰ মন্ত্ৰীসভাৰ প্ৰাক্তন সদস্য আৰু সহযোগীসকলৰ বিৰুদ্ধে আৰু চাৰিটা গোচৰ ৰুজু কৰা হৈছে। ইয়াকে লৈ শ্বেইখ হাছিনাৰ বিৰুদ্ধে ৰুজু কৰা গোচৰৰ সংখ্যা ৭৫ লৈ বৃদ্ধি পাইছে। ঢাকাৰ এখন দৈনিক বাতৰি কাকতে প্ৰকাশ কৰা মতে ৭৬ বছৰীয়া শ্বেইখ হাছিনা সম্প্ৰতি ৭৫টা গোচৰৰ সন্মুখীন হৈছে। ইয়াৰে ভিতৰত ৬৩টা হত্যাৰ, ৭টা মানৱতাৰ বিৰুদ্ধে অপৰাধ আৰু গণহত্যাৰ, তিনিটা অপহৰণৰ আৰু দুটা অন্য অপৰাধৰ গোচৰ আছে।

০০০০০

নিৰ্বাচন আয়োগে হাৰিয়ানা ৰাজ্যিক বিজেপিয়ে নিৰ্বাচনী প্ৰচাৰ অভিযানৰ বাবে সামাজিক মাধ্যম এক্সত এটা শিশুক ব্যৱহাৰ কৰাৰ বিষয়টো গুৰুত্ব সহকাৰে লৈছে। এইক্ষেত্ৰত তাৎক্ষণিক পদক্ষেপৰ বাবে ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়াই ৰাজ্যিক বিজেপিৰ সভাপতিলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। আজি সন্ধিয়া ৬ বজাৰ ভিতৰত মোহন লাল বাদোলিক এইক্ষেত্ৰত উত্তৰ দিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগৰ নীতি নিৰ্দেশনা মতে কোনো ৰাজনৈতিক দল আৰু নিৰ্বাচনী বিষয়াই কাম-কাজত শিশুক অন্তৰ্ভুক্ত কৰিব নোৱাৰে।

০০০০০

জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰৰ সহযোগিতা সম্পৰ্কীয় ভাৰত-ৰাছিয়া যুটীয়া আয়োগৰ দ্বিতীয়লানি বৈঠক কালি ৰাছিয়াৰ মস্কোত অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে বৈঠকত ভাগ লোৱা ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্ব বহন কৰে। বৈঠকৰ প্ৰথম দিনা ২০২৫-২৬ বৰ্ষৰ বাবে জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰৰ সহযোগিতা সন্দৰ্ভত ভাৰত-ৰাছিয়া যুটীয়া আয়োগৰ কাৰ্য পৰিকল্পনাত মন্ত্ৰী ৰায় আৰু ৰাছিয়াৰ অসামৰিক সুৰক্ষা, জৰুৰীকালীন পৰিস্থিতি আৰু প্ৰাকৃতিক বিপৰ্যয় ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কুৰেনকোৱ অলেক্সান্দ্ৰই হস্তাক্ষৰ কৰে। দুয়োখন দেশে ২০২৫-২৬ বৰ্ষৰ সময়ছোৱাত এই পৰিকল্পনা ৰূপায়ণ কৰিবলৈ সন্মতি প্ৰকাশ কৰে আৰু বিপৰ্যয় ব্যৱস্থাপনাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ প্ৰযুক্তিৰ আদান-প্ৰদান অব্যাহত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ভাৰত আৰু ৰাছিয়াৰ মাজত স্বাক্ষৰিত যোৱাবাৰৰ চুক্তি ৰূপায়ণৰ ৰণনীতি প্ৰস্তুত কৰাৰ দিশৰ পৰা এই বৈঠক অতিকে গুৰুত্বপূৰ্ণ। উল্লেখযোগ্য যে, জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰৰ সহযোগিতা সম্পৰ্কীয় ভাৰত-ৰাছিয়া যুটীয়া আয়োগৰ প্ৰথমলানি বৈঠক ২০১৬ চনত নতুন দিল্লীত অনুষ্ঠিত হৈছিল।

০০০০০

পেৰিছত কালি চলিত বৰ্ষৰ পেৰালিম্পিক প্ৰতিযোগিতা আৰম্ভ হৈছে। পেৰিছত অনুষ্ঠিত আকৰ্ষণীয় অনুষ্ঠানৰ পাছত এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে আৰম্ভ হয়। প্ৰতিযোগিতা ১৬৭ খন দেশৰ ৪ হাজাৰ ৪০০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। ২০২০ বৰ্ষৰ টকিঅ' অলিম্পিকৰ সোণৰ পদক বিজেতা জেভলিন খেলুৱৈ সুমিত অনতিল আৰু বিশ্ব অভিলেখ সৃষ্টি কৰা টেবল টেনিছ খেলুৱৈ ভাগ্যশ্ৰী যাদৱে উদ্বোধনী অনুষ্ঠানত ভাৰতীয় ধ্বজা বহন কৰে। প্ৰতিযোগিতাত এইবাৰ ভাৰতৰ ৮৪ জনীয়া খেলুৱৈ দলে ভাগ লৈছে। এয়া হৈছে পেৰালিম্পিকত ভাগ লোৱা দেশৰ সৰ্ববৃহৎ দল। ভাৰতে ২২টা শিতানৰ ভিতৰত ১২টাত ভাগ ল'ব।

কৃষ্ণা নাগৰে বেডমিণ্টনৰ পুৰুষৰ ছিংগলছৰ খিতাপ অক্ষুন্ন ৰখাৰ প্ৰয়াস কৰিব। আনহাতে অৱনি লেখাৰু আৰু মনিষ নৰেৱালে শ্যুটিঙৰ নিজ নিজ শাখাৰ বাবে সাজু হৈছে। ভাৰতীয় খেলুৱৈসকলে আজি আৰ্চাৰী, চাইক্লিং, টাইকাণ্ডো, ছুইমিং আৰু টেবল টেনিছত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ৮ ছেপ্তেম্বৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশৰ ১৪০ কোটি জনতাই পেৰিছ্ পেৰালিম্পিকত ভাগ লোৱা ভাৰতীয় খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত শ্ৰীমোদীয়ে কৈছে যে, প্ৰতিগৰাকী খেলুৱৈৰ সাহস আৰু একাগ্ৰতা সমগ্ৰ দেশৰ বাবে অনুপ্ৰেৰণাৰ উৎস। তেওঁ কৈছে যে, সকলোৱে তেওঁলোকৰ সফলতাৰ কামনা কৰিছে।

০০০০০

**সমাপ্ত**